**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 23-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

**---------------------------**

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাস উৎসৱ উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। **মাজুলীত** অহা ৪ নৱেম্বৰৰ পৰা ৰাস অনুষ্ঠিত হ'ব। ৮ নৱেম্বৰ পৰ্যন্ত জিলাখনৰ কেইবাখনো মঞ্চত শিশু ৰাস, মিছিং ভাষাৰ ৰাসৰ লগতে মহিলা শিল্পীৰ দ্বাৰা অভিনীত ৰাস পৰিৱেশন কৰা হ'ব। উজনি মাজুলী ঐক্যমঞ্চই অহা ৪ নৱেম্বৰত প্ৰথম বাৰৰ বাবে দেউৰী ভাষাত ৰাস পৰিৱেশন কৰিব বুলি এখন সংবাদমেল যোগে প্ৰকাশ কৰে।

নলবাৰীৰ শ্ৰীশ্ৰী হৰি মন্দিৰত অহা ৫ নৱেম্বৰৰ পৰা ১৭ নৱেম্বৰলৈ ৰাস মহোৎসৱ উদযাপন কৰা হ'ব। এই মহোৎসৱৰ অংশ হিচাপে অহা ৬ নৱেম্বৰত ১০ হাজাৰ শিল্পীয়ে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মায়াবিনী গীতটি পৰিবেশন কৰি শ্ৰদ্ধা নিবেদন কৰিব। এই মহোৎসৱত জীৱন্ত ৰাস আৰু ভাওনা পৰিবেশন কৰা হ'ব।

তামুলপুৰ জিলা সদৰৰ হৰি মন্দিৰ প্ৰাঙ্গনতো ৬৮ সংখ্যক ৰাস মহোৎসৱৰ প্ৰস্তুতি চলোৱা হৈছে। এই মহোৎসৱত প্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি আৰু সংগীতানুষ্ঠান অনুষ্ঠিত হ'ব।

বাক্সা জিলাৰ নাওকাটাত অহা ৫ নৱেম্বৰৰ পৰা ৯দিনীয়াকৈ পূব ডেফেলি কেন্দ্ৰীয় ৰাস মহোৎসৱ উদযাপন কৰা হ'ব। অনুষ্ঠানত ধৰ্মীয় কাৰ্যসূচীৰ লগতে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০০০

নুনমাটিৰ পৰা আমবাৰীলৈ জি এন বি ৰোডত নিৰ্মাণ কৰি থকা উৰণ সেঁতুখন পূৰ্বৰ নক্সা সলনি কৰি দীঘলী পুখুৰী পৰ্যন্ত সম্প্ৰসাৰণ কৰিবলৈ লোৱা সিদ্ধান্ত সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্য চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে। এই উৰণ সেতু নিৰ্মাণৰ বাবে শতিকা পুৰণি গছ কটাৰ বিৰোধিতা কৰি প্ৰকৃতিপ্ৰেমী আৰু সাংবাদিকে দাখিল কৰা ৰাজহুৱা আবেদনৰ ভিত্তিত ন্যায়ালয়ে কালি ৰাজ্য চৰকাৰলৈ এই জাননী জাৰি কৰে। উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ বিচাৰপীঠে এই আবেদনৰ শুনানি গ্ৰহণ কৰি অহা ২৮ নৱেম্বৰ পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰে। ২৮ নৱেম্বৰৰ ভিতৰত চৰকাৰে আদালতক এই বিষয়ে সবিশেষ অৱগত কৰিব লাগিব।

০০০০০০০

বোমা বিস্ফোৰণৰ ফলত ক্ষতিগ্ৰস্ত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ আলিপুৰদুৱাৰ সংমণ্ডলৰ কোকৰাঝাৰ আৰু ছালাকাটি ষ্টেচনৰ মাজৰ ৰে'লপথছোৱাৰে ৰে'ল চলাচল পুনৰ আৰম্ভ হৈছে। কোকৰাঝাৰৰ পৰা প্ৰায় ৫ কিলোমিটাৰ নিলগত যোৱানিশা হোৱা এটা শক্তিশালী আই ই ডি বিস্ফোৰণৰ ফলত এই ৰে'লপথছোৱাৰ প্ৰায় ৩ ফুট ক্ষতিগ্ৰস্ত হোৱাত পথছোৱাৰে ৰে'লসেৱা ব্যাহত হৈ আছিল।

বিস্ফোৰণৰ তদন্ত চলি আছে। এই সন্দৰ্ভত বি টি চিৰ আৰক্ষী মহা পৰিদৰ্শক বিবেক ৰাজ সিঙে এইদৰে কয়–

বাইট

0000000

কামৰূপ জিলাৰ বাইহাটা চাৰিআলিত যোৱানিশা আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰে। ৰঙিয়াৰ পৰা বাইহাটা চাৰিআলিলৈ ৭ টা বাকচৰ ভিতৰত অনা মাদক দ্ৰব্য খিনি আৰক্ষীয়ে আৰক্ষীয়ে জব্দ কৰে। জব্দ কৰা মাদকদ্ৰব্যখিনিৰ বজাৰ মূল্য প্ৰায় ৭ লাখ টকা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। এই সংক্ৰান্তত আৰক্ষীয়ে আব্দুল হান্নান আৰু জিয়াউল হক নামৰ দুজন লোকক আটক কৰে।

0000000

হোজাই আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী খাৰিখানা বিল গাঁৱত যোৱানিশা দুটা বনৰীয়া হাতীৰ মৃত্যু হয়। ধাননি পথাৰত হাতীৰ প্ৰৱেশত বাধা দিয়াৰ বাবে স্থাপন কৰা বিদ্যুতৰ তাঁৰত লাগি হাতী দুটাৰ মৃত্যু হোৱা বুলি আমাৰ হোজাইৰ সংবাদদাতাই জনাইছে। লংকা বন বিভাগৰ দল আৰু পশু চিকিৎসকে সেই স্থানত উপস্থিত হৈ মৃত হাতী দুটা পৰীক্ষা কৰে।

0000000

অসমত টেলিভিছন সংবাদ প্ৰচাৰৰ ক্ষেত্ৰত বাটকটীয়া হৈছে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগ। ১৯৮৫ চনত অসমত প্ৰথম টেলিভিছন বাতৰি সেৱা আৰম্ভ কৰাৰ সময়ৰ কেইগৰাকীমান বিষয়া-কৰ্মচাৰী আৰু পৰিৱেশকক লগ পাব অহা ২৫ অক্টোবৰৰ নিশা ৮ বাজি দুই মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত। টেলিভিছনত বাতৰি প্ৰচাৰৰ সময়ত সন্মুখীন হোৱা প্ৰত্যাহ্বান সম্পৰ্কত বহু কথা এই অনুষ্ঠানত উন্মোচিত হ'ব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

0000000

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫-ৰ পুৰস্কাৰসমূহ অহা ৩১ অক্টোবৰৰ বিয়লি ২ বজাত আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ বিজয়ী গুৱাহাটীৰ অসম জাতীয় বিদালয়ৰ নিষ্ঠা বৰগোহাঁই, দ্বিতীয় পুৰস্কাৰ বিজয়ী গহপুৰৰ নিউ স্কলাৰ্ছ একাডেমীৰ দিব্যা আত্ৰেয়, তৃতীয় পুৰস্কাৰ বিজয়ী যোৰহাটৰ পীড়াকটাৰ মহেশ্বৰ বৰকটকী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অন্বেষা ফুকন আৰু কটন বিশ্ববিদ্যালয়ৰ ৰোহিত গাওঁখোৱাক তেওঁলোকৰ অভিভাৱকসহ এই বঁটা প্ৰদান অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণী পত্ৰ ইতিমধ্যে ৱাটছএপযোগে প্ৰেৰণ কৰা হৈছে। বিজয়ী প্ৰতিযোগীক একোটাকৈ স্মাৰক, প্ৰমাণপত্ৰ, গ্ৰন্থ আৰু এটাকৈ ৰেডিঅ'ছেট প্ৰদান কৰা হ'ব।

0000000

**সমাপ্ত**